# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-10-2025

**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীলৈ ষট্ পূজাৰ শুভেচ্ছা জ্ঞাপন কৰি কয় যে দেশখন বৰ্তমান বিশ্বাস, আত্মীয়তা আৰু পৰম্পৰাৰ সংগমস্থলী হৈ পৰিছে। এইবাৰৰ উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ ক্ৰয় যথেষ্ট বৃদ্ধি পাইছে বুলিও প্ৰধানমন্ত্ৰীয়ে আজিৰ মন কী বাতত উল্লেখ কৰে। আজিৰ ১২৭ সংখ্যক মন কী বাতত আমাৰ ৰাষ্ট্ৰ গীত বন্দে মাতৰমৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অহা ৭ নৱেম্বৰত এই গীত ৰচনাৰ ১৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে সমগ্ৰ দেশতে ইয়াৰ বৰ্ষপূৰ্তি উদযাপন কৰিব। আকাশবাণী গুৱাহাটীয়ে মন কী বাতৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰে।

000000

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনৰ পাঁচ হাজাৰ ৫৫০ টা নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক পদৰ দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকা যোৱা নিশা প্ৰকাশ কৰা হয়। ইয়াৰ লগে লগে ৰাজ্যৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ টা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ নিয়মীয়া খালী পদত নিযুক্তিৰ বাবে মুঠ ৮ হাজাৰ ৫৮১ গৰাকী প্ৰাৰ্থীক বাচনি কৰা হৈছে। যোৱা ১০ ছেপ্তেম্বৰত চাৰি হাজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন প্ৰাৰম্ভিক মেধা তালিকা প্ৰকাশ কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে এই মেধা তালিকাৰ ভিত্তিতে চূড়ান্ত তালিকা প্ৰকাশ পাব। দ্বিতীয়খন প্ৰাৰম্ভিক মেধা তালিকাত মাধ্যম অনুসৰি জিলা ভিত্তিত বাচনি লাভ কৰা চাকৰি প্ৰত্যাশিসকলৰ কাট অফ মাৰ্ক সন্নিৱিষ্ট কৰা হৈছে। এই সন্দৰ্ভত ওজৰ-আপত্তি থাকিলে কাইলৈৰ পৰা তিনি দিনলৈ জিলা প্ৰাথমিক সঞ্চালকালয়ত অভিযোগ দাখিল কৰিব পাৰিব। কাইলৈ শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়, যোৰহাট, ধেমাজি, লখিমপুৰ, শ্ৰীভূমি আৰু মাজুলী জিলাৰ প্ৰাৰ্থীয়ে অভিযোগ দিব পাৰিব। ২৯ অক্টোবৰত কামৰূপ, গোৱালপাৰা, গোলাঘাট, হাইলাকান্দি, মৰিগাঁও, কামৰূপ মহানগৰ, ধুবুৰী আৰু দৰং জিলাৰ প্ৰাৰ্থীয়ে ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। একেদৰে ৩০ অক্টোবৰত নগাঁও, নলবাৰী, বঙাইগাঁও, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ, বৰপেটা আৰু কাছাৰ জিলাৰ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ত দিনৰ ১০ বজাৰ পৰা বিয়লি ৫ বজাৰ ভিতৰত অভিযোগ দাখিল কৰিব পাৰিব। সঞ্চালকালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে চূড়ান্ত মেধা তালিকা প্ৰকাশ পোৱাৰ লগে লগে দুয়োখন প্ৰাৰম্ভিক মেধা তালিকা স্বয়ংক্ৰিয়ভাৱে নাকচ হ'ব।

000000

অসমৰ সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ জন্মদিন ১৮ নৱেম্বৰত এইবাৰৰ পৰা জাতীয় স্বাভিমান দিৱস হিচাপে উদযাপন কৰিবলৈ অসম গণ পৰিষদ দলে সিদ্ধান্ত গ্ৰহণ কৰিছে। শিল্পীগৰাকীৰ সৃষ্টিৰাজিৰ

প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে দলে এই সিদ্ধান্ত লোৱা বুলি দলটোৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত শ্ৰীবৰাই কয় -

**বাইট**

oooooo

ভাৰতীয় ৰে'লৰে উৎসৱৰ সময়ছোৱাত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে ১২ হাজাৰ ১১ খন বিশেষ ৰে'ল চলাচল কৰোৱাই আছে। যোৱা বছৰৰ এই সময়ছোৱাত সাত হাজাৰ ৭২৪ খন উৎসৱ বিশেষ ৰে'ল চলাচল কৰোৱা হৈছিল। উত্তৰ-পূব সীমান্ত ৰেলৰে যোৱা ছেপ্তেম্বৰৰ পৰা ডিচেম্বৰলৈ ৰে'ল পথসমূহত ৬২০ টা যাত্ৰাৰ বাবে ৪৮ খন উৎসৱবিশেষ ৰে'ল চলাচল কৰাই আছে। যাত্ৰীসকলৰ সুবিধাৰ্থে কাতিহাৰ, নিউ জলপাইগুড়ি, গুৱাহাটীকে ধৰি মুখ্য ষ্টেচনসমূহৰ পৰিষৰ, যাত্ৰীৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা, অতিৰিক্ত টিকট কাউণ্টাৰ, স্বয়ংক্ৰিয় টিকট ভেণ্ডিং মেচিনকে ধৰি বিভিন্ন ব্যৱস্থা কৰা হৈছে বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰে প্ৰকাশ কৰিছে।

oooooo

বিশ্বনাথ জিলাৰ গহপুৰৰ ডুবিয়া ৰংগমঞ্চত দিনজোৰা কাৰ্যসূচীৰে সদৌ চুতীয়া জাতি মহিলা সন্মিলনৰ উদ্যোগত আৰু গহপুৰ জিলা সমিতিৰ আতিথ্যত তথা চুতীয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত কালি মহিলা সমাৰোহ অনুষ্ঠিত হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই সন্মিলনত চুতীয়াসকলৰ গৌৰৱোজ্জ্বল ঐতিহ্য, সংস্কৃতি, ঐশ্বৰ্য্যবিভূতি তথা জাতিটোৰ মহত্ব সমাজত প্ৰতিষ্ঠাৰ হকে চুতীয়া জাতি মহিলা সন্মিলনৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰা হয়।

oooooo

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপআয়ুক্ত কাৰ্যালয়ে কাইলৈ আৰু পৰহিলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জৰি কৰিছে। কাইলৈ দিনৰ ১১ বজাৰ পৰা পৰহিলৈ দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে।

oooooo

**সমাপ্ত**